৩ নং প্রশ্নৰ উত্তৰ ঃ বস্তুনিষ্ঠ সংবাদ হৈছে যেতিয়া কোনো ঘটনা ঘটে, তেতিয়া সেই ঘটনাৰ ওপৰত আলোকপাত কৰা। ইয়াত কোনো ব্যাখ্যা নাথাকে আৰু প্রত্যক্ষদর্শীৰ বিৱৰণেই বস্তুনিষ্ঠ সংবাদিকতা।

৪ নং প্রশ্নৰ উত্তৰ ঃ হয়, ফটো সাংবাদিকতা ছপা মাধ্যমৰ সাংবাদিকতাৰ এক গুৰুত্বপূর্ণ অংশ। এখন বাতৰিকাকতৰ বাবে ফটো সাংবাদিকজনৰ ভূমিকা যথেষ্ট গুৰুত্বপূর্ণ। প্রায়ে কোৱা হয় ছবিয়ে কথা কয়। সেয়েহে ফটো এজনে বাতৰি এটা প্রকাশত সহায়ে নকৰে বৰঞ্চ বাতৰিটো অধিক আকর্ষণীয় কৰি তোলে। তদুপৰি পাঠকসকলৰ মনটো প্রভাৱ পেলায়। যি নহওক ফটো সাংবাদিকতা ইমান সহজ নহয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ ষ্টাফ প্রতিবেদক, বিশেষ প্রতিবেদক, সম্পাদক, মুখ্য সম্পাদক, ৰাজনীতি বিশেষজ্ঞ, কার্টুনিষ্ট, স্তম্ভ লেখক, ফিচাৰ লেখক আদি বৃত্তিসমূহ ছপা মাধ্যমৰ লগত জড়িত।

৩.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন নং ১ ঃ সম্প্রচাৰণ সাংবাদিকতা বুলিলে কি বুজা? ছপা মাধ্যম সাংবাদিকতাতকৈ এনে সাংবাদিকতাৰ প্রধান সুবিধাবোৰ কি কি?

প্রশ্ন নং ২ ঃ মানৱীয় আবেদসমৃদ্ধ সাংবাদিকতা বুলিলে কি বুজা?

প্রশ্ন নং ৩ ঃ কাক বিজ্ঞান সাংবাদিক বুলি কোৱা হয়?

খ) চুটি প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা মান শব্দৰ ভিতৰত দিব) ঃ

প্রশ্ন নং ১ ঃ অনুসন্ধানমূলক আৰু ব্যাখ্যাকাৰী ৰিপ'র্টিঙৰ মাজত কি প্রভেদ আছে? উদাহৰণৰ সহায়ত ব্যাখ্যা কৰা।

প্রশ্ন নং ২ ঃ অনলাইন সাংবাদিকতা মানে কি? এই ক্ষেত্রখনত কাম কৰি থকা সাংবাদিকসকলে চাইবাৰ আক্রমণ নাইবা চাইবাৰ উৎপীড়নৰ বলি নহবলৈ সতর্ক হৈ থকা উচিত নে? ব্যাখ্যা কৰক।

গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা মান শব্দৰ ভিতৰত দিব) ঃ

প্রশ্ন নং ১ ঃ পাৰ হৈ যোৱা বছৰবোৰত এক বৃত্তি হিচাপে সাংবাদিকতাৰ কেনেদৰে বিকাশ ঘটিছে?

প্রশ্ন নং ২ ঃ উন্নয়নমূলক ৰিপ'র্টিং মানে কি? এনে ৰিপ'র্টিঙে উন্নয়নলৈ, বিশেষকৈ গাঁও এলেকাৰ উন্নয়নলৈ কেনেদৰে অৰিহণা আগবঢ়াব পাৰে সেয়া সমালোচনাত্মভাৱে পৰীক্ষা কৰি চাওঁক।

*** ***** ***